# অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় ☐ শুকুৰবাৰ, ১৩ জানুৱাৰী, ২০২৩ ☐ ২৮ পুহ, ১৯৪৪ শক


## কানৈত বাৰেৰহণীয়া জনগোষ্ঠীয় সাংস্কৃতিক মিলন সমাৰোহ আয়োজন

**ডিব্ৰুগড়, ১২ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় প্ৰাংগণত ডিব্ৰুগড় সাহিত্য সভা, ডি এইচ এছ কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু এন এল বি চিটি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত ১৩ জানুৱাৰীৰ সন্ধিয়া ৫ বজাৰ পৰা 'ভোগালীৰ আদৰণি প্ৰথম বাৰ্ষিক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ' শীৰ্ষক সকলো জাতি-জনগোষ্ঠীৰ এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। নিয়ন লাইটৰ পোহৰত কানৈ মহাবিদ্যালয়ৰ সেউজীয়া দলিচাত জুইৰ উত্তাপত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটিত দেউৰী, টাই, বড়ো, টিৱা, বাঙালী, মিচিং, সোনোৱাল কছাৰী, চাহ জনগোষ্ঠী, মটক, হাজং, চুটীয়া, পঞ্জাবী, ভোজপুৰী, ৰাজস্থানী, নেপালী আদিকে ধৰি ১৫ টাৰো অধিক সম্প্ৰদায়ৰ নিজ নিজ লোকসংস্কৃতি পৰিৱেশন কৰাৰ লগতে অন্যান্য বহুখিনি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে অনুষ্ঠানটিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জে পি বাৰ্মা, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকিব। বাৰেৰহণীয়া এই সাংস্কৃতিক অনুষ্ঠানটিত সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি উদ্যোক্তা সমিতিয়ে একান্তই কামনা কৰিছে।